**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক খহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে জলসম্পদ বিভাগে বৃহৎ আঁচনি প্ৰস্তুত কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ছাত্ৰী সবলীকৰণৰ বাবে ৰাজ্য চৰকাৰৰ আজি 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা' আঁচনি উদ্বোধন। ৩ বছৰত ১০ লাখ শিক্ষাৰ্থীক সামৰি লোৱাৰ লক্ষ্য।

৩। বাংলাদেশত ন'বেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰৰ আজি নিশা শপত গ্ৰহণ। *আৰু*

৪। পেৰিছ অলিম্পিকত আজি জেভলিন থ্ৰ'ত স্বৰ্ণ পদকৰ বাবে নীৰজ চোপ্ৰাৰ প্ৰতিদ্বন্দ্বিতা। ব্ৰঞ্জৰ পদকৰ যুঁজত ভাৰতীয় পুৰুষ হকী দল স্পেইনৰ মুখামুখি।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক খহনীয়াৰ কবলৰ পৰা ৰক্ষা কৰাৰ বাবে জলসম্পদ বিভাগে এখন বৃহৎ আঁচনি প্ৰস্তুত কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বাগৰি বনাঞ্চলিক বিষয়াৰ চৌহদত আয়োজিত এটা অনুষ্ঠানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পলৈ আউট ব'ৰ্ড মটৰযুক্ত ২০ খন ৰবৰ নাও প্ৰদান কৰি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। এই আঁচনিখন অতি সোনকালে ৰূপায়ণ কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা কৰে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে কাজিৰঙাত অনুষ্ঠিত এখন বৈঠকত ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণীৰ উদ্ধাৰ আৰু সাহায্যৰ কামত ব্যৱহাৰ কৰিব পৰাকৈ ২০ খন ৰবৰৰ নাও প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেই সিদ্ধান্ত অনুসৰি কালি ৰাষ্ট্ৰীয় উদ্যানখনৰ কৰ্তৃপক্ষক মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে এই নাওকেইখন প্ৰদান কৰে। ইয়াৰ পাছত সাংবাদিকৰে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে কয় যে বানৰ ফলত জীৱ-জন্তুৰ মৃত্যু হ'লেও ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাত গাড়ীৰ খুন্দাত জীৱ-জন্তুৰ মৃত্যু হোৱাৰ সংখ্যা এইবাৰ একেবাৰে কম আছিল। এইক্ষেত্ৰত ৰাইজে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে তেওঁ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে কলিয়াবৰৰ হাতীমূৰাৰ ভগ্ন মথাউৰি আৰু অস্থায়ী সুৰক্ষা বান্ধৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। মথাউৰিটো পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ কলিয়াবৰত যাতে ভৱিষ্যতে পুনৰ বানৰ সৃষ্টি নহয়, তাৰ সম্পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ অতি কম সময়ৰ ভিতৰতে মথাউৰি ভঙা স্থানত অস্থায়ী বান্ধ নিৰ্মাণ সম্পূৰ্ণ কৰি তোলাৰ বাবে জলসম্পদ বিভাগক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন কৰিব। এই আঁচনিখনে

অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ হ'বলগীয়া আঁচনিখনৰ অধীনত একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ টকাকৈ, স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ ২৫০ টকাকৈ আৰু স্নাতকোত্তৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ইপিনে অসম চৰকাৰে এটা বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে যে স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে আন বিবাহিতা ছাত্ৰী কিম্বা চাকৰিয়াল বি এড শিক্ষাৰ্থী, মন্ত্ৰী-সাংসদ-বিধায়কৰ কন্যা, বাণীকান্ত কাকতি বঁটাৰ অধীনত স্কুটাৰ লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব।

০০০০০০

ফেব্ৰুৱাৰী মাহৰ ভিতৰত আৰু ছশ গৰাকী বন সুৰক্ষা বাহিনীৰ জোৱানৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি কালি তেওঁ এই কথা ঘোষণা কৰে। লগতে লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন অহা অক্টোবৰ মাহত উদ্বোধন কৰা হ'ব বুলিও তেওঁ কয়। এই একাডেমীলৈ প্ৰশিক্ষণ লাভৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা জোৱানসকল আহিবলৈ আৰম্ভ কৰাত একাডেমীখন ৰাষ্ট্ৰীয় পৰ্যায়তো উজ্বলি উঠা বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে। একাডেমীখনত ১০২ সেৱা আৰম্ভ কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। বন ধবংস কৰিব বিচৰা লোকৰ বিৰুদ্ধে বন সুৰক্ষা বাহিনীৰ জোৱানসকলে নিষ্ঠাবান প্ৰহৰীৰ দৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখযোগ্য যে সমাৰোহত কালি ৯৮১ গৰাকী বন সুৰক্ষা বাহিনীৰ কনিষ্টবলক দীক্ষান্ত প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ দিশত দৃঢ় পদক্ষেপ গ্ৰহণৰ অংশৰূপে প্ৰথমবাৰৰ বাবে এই দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছিল। বন সুৰক্ষা বাহিনীত জোৱানৰ নিযুক্তিৰ সংখ্যা ১২০ শতাংশলৈ বৃদ্ধি কৰাৰ ফলত জোৱানৰ সংখ্যা ৭৮৪ৰ পৰা এহেজাৰ ৭২৪ হৈছে। ইয়াৰে ৯০ গৰাকী মহিলা। আনহাতে, তৃতীয় অসম বন সুৰক্ষা বাহিনী বেটেলিয়ন সম্পূৰ্ণৰূপে নৱনিযুক্ত জোৱানেৰে গঠন কৰা হৈছে।

০০০০০০

অসমত হোৱা আলুৰ দাম বৃদ্ধিৰ প্ৰসংগত ৰাজ্যৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে কেন্দ্ৰ তথা পশ্চিমবংগ চৰকাৰৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। কালি বিভাগীয় মন্ত্ৰী ৰণজিত কুমাৰ দাসে এই কথা জানিবলৈ দিয়ে। পশ্চিমবংগৰ আলুসমূহ অসমত প্ৰৱেশ কৰিবলৈ নিদিয়াৰ বাবে আলুৰ দাম বৃদ্ধি হোৱা সন্দৰ্ভত দেখা দিয়া সমস্যাৰ ওৰ পেলাবলৈ কালি মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত এখন সভাও অনুষ্ঠিত হয়। সভাত সংশ্লিষ্ট বিভাগীয় বিষয়াসকলৰ লগতে কামৰূপ চেম্বাৰ অৱ কমাৰ্চৰ বিষয়ববীয়া তথা আলু আৰু পিঁয়াজ ব্যৱসায়ী সংস্থা, কামৰূপ মহানগৰ জিলাৰ সভাপতি-সম্পাদকৰ সৈতে বিষয়টো সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে পাইকাৰী ব্যৱসায়ীসকলৰ ওচৰত পৰ্যাপ্ত আলু মজুত থকা তথা পশ্চিমবংগৰ বাধা আঁতৰিলে বংগৰ আলু উচিত দামত বিক্ৰী কৰিব পৰা যাব বুলি আলু আৰু পিঁয়াজ ব্যৱসায়ী সংস্থাই তেওঁক জানিবলৈ দিছে।

০০০০০০

বাংলাদেশত নবেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰখনে আজি নিশা শপত গ্ৰহণ কৰিব। কালি এখন সংবাদ মেলত দেশখনৰ সেনাপ্ৰধান ৱাকাৰ-উজ-জামানে এই কথা সদৰি কৰে। তেওঁ দেশখনৰ পৰিস্থিতি অহা তিনি-চাৰি দিনৰ ভিতৰত স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয় যে বিগত কিছুদিনত সংঘটিত অপৰাধমূলক ঘটনাসমূহৰ সৈতে জড়িত থকা লোকসকলক সাৰি যাবলৈ দিয়া নহ'ব আৰু সেইসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

লোকসভাত কালি বিত্ত বিধেয়ক, ২০২৪-ৰ সংশোধনী গৃহীত হয়। বিধেয়কখন গৃহীত হোৱাৰ লগে লগে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱ কাৰ্যকৰী হৈ পৰিল আৰু বাজেট প্ৰক্ৰিয়াও সম্পূৰ্ণ হ'ল। বিধেয়কখন সন্দৰ্ভত লোকসভাত হোৱা আলোচনাৰ উত্তৰ দি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে কৰ আৰোপৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ মূল উদ্দেশ্য হৈছে কৰ আইন তথা প্ৰক্ৰিয়াৰ সৰলীকৰণ আৰু দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ লগতে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰা। তেওঁ কয় যে, চৰকাৰে বিগত দশকত কৰ প্ৰশাসনত আমূল পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। চৰকাৰে কৰ বহু বেছি বৃদ্ধি নকৰাকৈ অধিক স্বচ্ছতাৰ লগতে নিয়ম পালন প্ৰক্ৰিয়াৰ সৰলীকৰণৰ সৈতে সহজ কৰ আৰোপ ব্যৱস্থা প্ৰণয়ন কৰিছে।

চিকিৎসা আৰু জীৱন বীমাৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ প্ৰত্যাহাৰৰ বাবে বিৰোধী পক্ষই জনোৱা দাবী সন্দৰ্ভত বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে চিকিৎসা বীমাৰ ওপৰত আৰোপিত ১৮ শতাংশ সামগ্ৰী আৰু সেৱা কৰ বাতিলৰ বিষয়টো সন্দৰ্ভত সামগ্ৰী আৰু সেৱা কৰ পৰিষদত সিদ্ধান্ত ল'ব পৰা যাব।

বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে ২০২৪-২৫ বৰ্ষৰ বাবে ৩১ জুলাই পৰ্যন্ত অভিলেখ সংখ্যক ৭ কোটি ২৮ লাখ আয়কৰ ৰিটাৰ্ণ দাখিল কৰা হৈছে। আয়কৰ ৰিটাৰ্ণ দাখিলৰ এই সংখ্যা যোৱা বছৰৰ তুলনাত ৭ দশমিক ৫ শতাংশ অধিক।

বিত্ত বিধেয়ক গৃহীত হোৱাৰ পাছত লোকসভাৰ অধ্যক্ষই সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখে।

ইপিনে, ৰাজ্যসভাত কালি বিনিয়োজন বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা হয়। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি এই আলোচনাৰ উত্তৰ দিব।

০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত তথা বন বিভাগৰ সহযোগত ৰাজ্যত সেউজ আৱৰণ বৃদ্ধি কৰি বৃক্ষ অৰ্থনীতি সমৃদ্ধিশালী কৰি তোলাৰ লক্ষ্যৰে **এজুপি গছ মাৰ নামত** শ্লʼগানেৰে অমৃত বৃক্ষ আন্দোলনৰ কাৰ্যসূচী অব্যাহত আছে। ১ৰ পৰা ১৫ আগষ্টলৈকে চলা এই কাৰ্যসূচীৰ অংশস্বৰূপে কালি যোৰহাটত পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। যোৰহাট আৱৰ্ত ভৱনত অনুষ্ঠিত সভাখনত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ সুদূৰপ্ৰসাৰী চিন্তাৰ শলাগ লোৱাৰ লগতে সকলোকে গছপুলি ৰোপণত ভাগ লৈ অমৃত বৃক্ষ আন্দোলন সফল কৰি তুলিবলৈ আহ্বান জনায়। মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে বিভিন্ন বিভাগীয় বিষয়া উপস্থিত থকা পৰ্যালোচনা সভাখনত জিলা আয়ুক্তগৰাকীয়ে জনায় যে যোৰহাটত প্ৰায় ১২ লাখ ৭৯ হাজাৰ ৬৫টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে আৰু ৮ লাখ ৯৪ হাজাৰ ২৭৪টা গছপুলি ইতিমধ্যে বিতৰণ কৰা হৈছে।

০০০০০০

জেভলিন থ্ৰ'ৰ যোৱাবাৰৰ অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই আজি নিশা খিতাপ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ব। আনহাতে ভাৰতীয় পুৰুষ হকী দল আজি বিয়লি ব্ৰঞ্জৰ পদকৰ যুঁজত স্পেইনৰ সন্মুখীন হ'ব। ইপিনে মল্লযুদ্ধত বৰ্তি থকা একমাত্ৰ পুৰুষ মল্লযোদ্ধা অমন শ্বেহৰাৱাট আজি বিয়লি পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মহিলা মল্লযোদ্ধা অংশুৱে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত দেশক প্ৰতিনিধিত্ব কৰিব।

ইফালে টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজেতা এছ মীৰাবাঈ চানুৱে কালি মহিলাৰ ৪৯ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত চতুৰ্থ স্থান আৰু অবিনাশ চাৰলেই পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপ্‌লচেজত একাদশ স্থানতে সন্তুষ্ট হ'বলগীয়া হয়।

আনহাতে পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগটক কালি সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ ফাইনেল খেলৰ পূৰ্বে অযোগ্য ঘোষণা কৰা সিদ্ধান্তৰ বিৰুদ্ধে খেলুৱৈগৰাকীয়ে ক্ৰীড়া চালিছী আদালতত আবেদন দাখিল কৰিছে। খেলুৱৈগৰাকীয়ে তেওঁক যুটীয়াভাৱে ৰূপৰ পদক প্ৰদান কৰিবলৈ দাবী জনাইছে। লগতে ফোগটে সামাজিক মাধ্যমযোগে তেওঁৰ অৱসৰৰ কথাও ঘোষণা কৰিছে।

০০০০০০

ভাৰতৰ বিৰুদ্ধে অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাত শ্ৰীলংকা ২-০ৰ ব্যৱধানত জয়ী হৈছে। কালি কলম্বোত অনুষ্ঠিত শৃংখলাৰ অন্তিমখন খেলত শ্ৰীলংকা ১১০ ৰানত জয় হয়। প্ৰথমে বেটিং কৰা শ্ৰীলংকাই আৱিস্কা ফাৰ্নাণ্ডোৰ ৯৬ আৰু কুশল মেণ্ডিছৰ ৫৯ ৰানৰ সহায়ত নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ২৪৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ২৬ অভাৰ আৰু এটা বলত কেউটা উইকেট হেৰুৱাই মাত্ৰ ১৩৮ ৰানহে কৰিবলৈ সক্ষম হয়। আৱিস্কা ফাৰ্নাণ্ডোলৈ প্লেয়াৰ অৱ দা মেচ আৰু দুনীথ ৱেলালাগেলৈ শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়। শৃংখলাৰ প্ৰথমখন খেল টাই হোৱাৰ বিপৰীতে দ্বিতীয়খনত শ্ৰীলংকা ৩২ ৰানত জয়ী হৈছিল।

উল্লেখ্য যে কালিৰ খেলখনতেই অসম সন্তান ৰিয়ান পৰাগৰ আন্তৰ্জাতিক এদিনীয়া ক্ৰিকেটত অভিষেক ঘটে। খেলখনত ৰিয়ানে ৩টা উইকেট দখল কৰাৰ লগতে ১৫ ৰান কৰিবলৈ সক্ষম হয়।

০০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। **অশান্ত বাংলাদেশৰ দায়িত্বত নোবেল জয়ী** শিৰোনামৰ বাতৰিটোত আজি বাংলাদেশত শপত ল'বলগা অন্তৰৰ্তীকালীন চৰকাৰৰ নেতৃত্ব নোবেল বঁটা বিজয়ী বিশিষ্ট অৰ্থনীতিবিদ মহম্মদ ইউনুছে ল'ব বুলি প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম বন সুৰক্ষা বাহিনীৰ ৯৪০ গৰাকী জোৱানে অংশগ্ৰহণ কৰা দীক্ষান্ত সমাৰোহত বনজসম্পদ ৰক্ষা কৰিব পৰা নহ'লে মানৱ জাতিৰ ভৱিষ্যত ভয়াৱহ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

অসম সন্তান ৰিয়ান পৰাগে এদিনীয়া ক্ৰিকেটৰ অভিষেক মেচত দুৰ্দান্ত প্ৰদৰ্শনেৰে উজলি উঠা বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে শ্ৰীলংকাৰ বিৰুদ্ধে কালিৰ

খেলখনত ৰিয়ান পৰাগে ৩টা উইকেট লাভ কৰিবলৈ সমৰ্থ হয়। একেটা বাতৰিকে দৈনিক অগ্ৰদূত কাকতে **এদিনীয়া অভিষেক মেচতে দুৰ্দান্ত বলিঙেৰে মূল একাদশলৈ ৰিয়ান** শিৰোনামেৰে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই দেশখনৰ পৰা পলায়ন কৰি মধ্য-প্ৰাচ্যত আশ্ৰয় ল'বগৈ বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ অস্থিৰতাৰ সুযোগ লৈ বাংলাদেশৰ পৰা পলায়ন কৰা লোকসকলে অসমত প্ৰৱেশৰ চেষ্টা কৰা বাতৰি নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মাত্ৰ ১০০ গ্ৰাম ওজন বৃদ্ধিৰ অভিযোগত অলিম্পিক ফাইনেল খেলিবলৈ অযোগ্য ঘোষিত ৱিনেশ ফোগটৰ বাতৰিটোক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই ঘটনাই দেশজুৰি প্ৰতিক্ৰিয়া সৃষ্টি কৰা কথা বাতৰিটোত প্ৰকাশ পাইছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ৩ ছেপ্তেম্বৰত ৰাজ্যসভাৰ নিৰ্বাচন, মহানগৰীত কৃত্ৰিম বানৰ বাবে প্ৰতিবাদ আছুৰ, ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰাত উত্তাল সাংসদ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত